# দ্বিতীয় অধ্যায়

## : দ্বিতীয় অধ্যায় :

### ০. ০২. ০০ নব-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত মিত্ৰদেৱ মহন্ত ::

### ০. ০২. ০১ ভাৰতবৰ্ষত নৱ-বৈষ্ণৱ ধৰ্ম আন্দোলন আৰু অসমত ইয়াৰ প্ৰভাৱ :

মানুহৰ জীৱন অনিত্য হলেও এটি অদৃশ্য শক্তিয়ে যে মানৱ মনত প্ৰভাৱ পেলায় তাক নক'লেও হয়। খ্ৰিষ্টীয় পঞ্চদশ শতিকাৰ আশে-পাশে এই সময় খিনিতেই সমগ্ৰ ভাৰতজুৰি এক নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলনে আলোড়নৰ সৃষ্টি কৰিছিল। ইউৰোপত ৰেণেছাঁ অৰ্থাৎ নৱ জাগৰণৰ ইতিহাসৰ লগত যেনেকৈ মাৰ্টিণ লুথাৰৰ প্ৰোটেষ্টান্ট ধৰ্মৰ প্ৰৱৰ্তন আৰু প্ৰাচীন গ্ৰীক-লেটিন ক্লাচিকেল সাহিত্য আৰু কলাৰ পুনৰ অধ্যয়নৰ প্ৰভাৱ জড়িত হৈছিল তেনেকৈ প্ৰায় একে সময়তেই বৈষ্ণৱ আন্দোলন ভক্তিধৰ্মক কেন্দ্ৰ কৰি ভাৰতত সাংস্কৃতিক পুনৰভ্যুদয় ঘটিছিল।

উত্তৰ ভাৰতত খৃষ্টীয় চতুৰ্দশ পঞ্চদশ শতিকাত প্ৰথমে ৰামানন্দ আৰু তাৰ পিছতে কবীৰ, বল্লভাচাৰ্য আদিয়েই এই আন্দোলনত ঘাই হোতা।

হিন্দুসকলৰ বিষ্ণু হৈছে বৈদিক দেৱতা। বেদত তেওঁ সূৰ্যৰে এক অভিব্যক্তি বুলি কোৱা হয়। এই বিষ্ণুৱেই কালক্ৰমত সাত্বত-সকলৰ বাসুদেৱ, পাঞ্চৰাত্ৰসকলৰ নাৰায়ণ, আভীৰসকলৰ গোপালকৃষ্ণৰ লগত অভেদ হৈ শ্ৰেষ্ঠদেৱতা ৰূপে থিয় দিয়ে। খ্ৰিষ্টপূৰ্ব পঞ্চম শতিকাৰ

১ সত্যেন্দ্ৰ নাথ শৰ্মা : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ: ৯০

পাণিনিৰ অষ্টাধ্যায়ীৰ পৰা আৰম্ভ কৰি বিভিন্ন যুগৰ নানা সাহিত্য, শাস্ত্ৰ, প্ৰত্নলিপিত বিষ্ণু-নাৰায়ণ আৰু বৈষ্ণৱ সম্প্ৰদায়ৰ উল্লেখ পোৱা যায়। মহাভাৰতকে প্ৰমুখ্য কৰি নানা পুৰাণ আৰু সংহিতা বৈষ্ণৱ ধৰ্মৰ সাধন-পদ্ধতি আৰু মাহাত্ম্য প্ৰচাৰৰ অৰ্থে ৰচনা কৰা।[২]

এই ক্ষেত্ৰত ড' মহেশ্বৰ নেওগৰ মতামত প্ৰায় একে ধৰণৰ --

> : ঋগ্বেদত বিষ্ণু আদিত্যসকলৰ এজন, সূৰ্যদেৱ। শতপথ ব্ৰাহ্মণত বিষ্ণুৱে অলপ বেছি প্ৰাধান্য লাভ কৰিছে আৰু দ্বিতীয়তে, বিষ্ণুৰ লগত সম্বন্ধ নহলেও ইয়াতে আমি নাৰায়ণ নাম পোন পহিলা পাওঁ। ঐতৰেয় ব্ৰাহ্মণত বিষ্ণুৱেই দেৱ শ্ৰেষ্ঠ; তেওঁ অসুৰৰ বিৰুদ্ধে ইন্দ্ৰক সহায় কৰিছে। ধৰ্ম পন্থা হিচাপে মহাভাৰতৰ শেহৰ খণ্ডতহে 'বৈষ্ণৱ' নাম পোৱা যায়। শান্তি আৰু ভীষ্মপৰ্বত ভাগৱত, সাত্বত, ঐকান্তিক বা পঞ্চৰাত্ৰ ধৰ্মৰ উল্লেখ আছে।[৩]

ড' অনিমা দত্তই মতপোষণ কৰে যে - ভাৰতবৰ্ষৰ সকলো বৈষ্ণৱ ধৰ্ম সাধক বিষ্ণু-কৃষ্ণ-ৰামচন্দ্ৰৰ উপাসক হলেও তেওঁলোকৰ ধৰ্ম একশৰণীয়া নহয়। কিয়নো তেওঁলোকৰ সকলোৱে বিষ্ণু-কৃষ্ণ-ৰামচন্দ্ৰৰ আহ্লাদিনী শক্তিৰূপে লক্ষ্মী, ৰাধা, সীতাকো উপাসনা কৰে। ৰামানুজাচাৰ্যই লক্ষ্মীনাৰায়ণক, ৰামানন্দ, তুলসীদাসে সীতাৰামক, বল্লভাচাৰ্যই

---

২ সত্যেন্দ্ৰ নাথ শৰ্মা : প্ৰাগুক্ত গ্ৰন্থ, পৃ: ৯০

৩ মহেশ্বৰ নেওগ : <u>অসমীয়া সাহিত্যৰ ৰূপৰেখা</u>, পৃ: ৭২

গোপীকৃষ্ণক, মাৰাঠা ভক্তসকলে ৰুক্মিণী-কৃষ্ণক ; চৈতন্যদেৱ আদিয়ে ৰাধা-মাধৱক, একেলগে উপাসনা কৰে । কিন্তু শংকৰদেৱ ভক্তিমতত গীতাৰ এক শৰণৰ আদৰ্শ সুৰক্ষিত । শংকৰদেৱে যুগল ৰূপৰ উপাসনা নকৰে । শংকৰদেৱৰ আৰাধ্যদেৱ বিষ্ণু কৃষ্ণ । সেয়েহে মহাপুৰুষীয়া ধৰ্মৰ আন নাম "একশৰণ হৰি নাম ধৰ্ম"।[৪]

সমগ্ৰ ভাৰতবৰ্ষত নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলন চলি থকা অৱস্থাতেই মহাপুৰুষ শংকৰদেৱৰ বাৰ বছৰীয়া তীৰ্থ যাত্ৰাই আৰু বিভিন্ন তীৰ্থক্ষেত্ৰত লগ পোৱা পণ্ডিত, সিদ্ধাচাৰ্যৰ লগত হোৱা সাক্ষাৎ, আলোচনা, বিনিময়ে শংকৰদেৱকো এই নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৰ্ষিত কৰে আৰু তাৰ ফলশ্ৰুতি হিচাপেই মহাপুৰুষ শংকৰদেৱে পঞ্চদশ শতিকাৰ শেষৰফালে অসমতো এই আন্দোলনৰ পাতনি মেলে । মহাপুৰুষ জনাই অসমত যি নৱ-বৈষ্ণৱ ধৰ্মৰ সোঁত বোৱালে তাৰ ফলত অসমৰ জাতীয় জীৱনত এক বৈপ্লৱিক পৰিৱৰ্তন ঘটিল । ভক্তি ধৰ্মক কেন্দ্ৰ কৰি অসমৰ ধৰ্ম, সমাজ, সাহিত্য কলা আদি বিভিন্ন ক্ষেত্ৰত মহাপুৰুষজনাই যি বহুমুখী দান আগবঢ়ালে তাৰফলত অসমত সূচনা হ'ল এক নতুন যুগৰ । মহাপুৰুষ শংকৰদেৱৰ উদভৱকালত অসমত নানা উপভাষা, নানা ধৰ্ম, নানা আদৰ্শ আধ্যাত্মিক সাধনা আৰু সত্যধৰ্ম আচৰণৰ সুবিধা নথকাত বা সুযোগ নথকাত নানা আচাৰ-পদ্ধতিৰ খেলি মেলিত সমাজত ব্যভিচাৰ আৰু কু আদৰ্শই খোপনি পুতিবলৈ সুবিধা পাইছিল

---

৪ অনিমা দত্ত : অসমৰ বৈষ্ণৱ সাহিত্য আৰু দৰ্শন , পৃঃ ২-৩

জনসাধাৰণৰ সন্মুখত সহজে আচৰণীয় আৰু সুস্থ ধৰ্মীয় আদৰ্শ এটা নথকাত প্ৰবৃত্তি অনুসৰি যাৰে যিটো পথ মনোগ্ৰাহী হৈছিল তাকেই তেওঁলোকে গ্ৰহণ কৰিছিল। ইয়াৰ উপৰিও বামাচাৰী তান্ত্ৰিক প্ৰথাৰ ভয়াবহ আচাৰেও স্থান বিশেষে গা কৰি উঠিছিল। জয়ন্তপুৰৰ জয়ন্তা দেৱীৰ মন্দিৰ, শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ আৰু কামৰূপৰ কামাখ্যাত তান্ত্ৰিক সাধনাৰ কেন্দ্ৰস্থল হিচাপে পৰিগণিত হৈছিল। এইবিলাক নানা আচাৰ, নানা মত আৰু দেৱ-দেৱীৰ উপাসনাই জনসাধাৰণৰ মন সনাতন ধৰ্মৰ পৰা আতৰাই নিয়াত সহায় কৰিছিল। সেয়ে মহাপুৰুষ শংকৰদেৱে খুউব ভালদৰে উপলব্ধি কৰিব পাৰিছিল যে এনে এটি পৰিবেশত জনসাধাৰণৰ মাজত প্ৰাচীন সনাতন ধৰ্ম প্ৰচাৰৰ বাহিৰে অন্য গতি নাই আৰু এই ধৰ্মইহে এনে এক বিশৃংখল সমাজক একতাৰ ডোলেৰে বান্ধিব পাৰিব। বৈষ্ণৱ ভক্তি মাৰ্গেহে সেই সহজ সাধন পন্থৰ ঠাই পূৰণ কৰিব কৰিব বুলি তেওঁৰ প্ৰতীতি জন্মিছিল।

মহাপুৰুষ শংকৰদেৱে সেয়ে ভাগৱত পুৰাণৰ পৰা সৎসঙ্গ, গীতাৰ পৰা একশৰণ আৰু পদ্মপুৰাণৰ সহস্ৰ নামখণ্ডৰপৰা নামধৰ্ম লৈ অসম, কামৰূপ আৰু কোচ বেহাৰত যি ভক্তিধৰ্ম তথা একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰ কৰিলে তাৰফলত নানান ধৰ্ম, নানান আচাৰ-পদ্ধতি নানান জাতি-উপজাতি আৰু ভাষা আদিৰে বহুধা বিভক্ত হৈ থকা অসমৰ জনসাধাৰণ এডাল সূতাৰে গ্ৰথিত হৈ বৃহৎ অসমীয়া জাতিৰ সৃষ্টি হ'ল।

ড' বাণীকান্ত কাকতিৰ ভাষাত শংকৰদেৱৰ অৱদানৰ কথা এনেদৰে প্ৰকাশ পোৱা দেখা যায় --

: সকলো ব্ৰহ্মাণ্ডৰ যি একমাত্ৰ অধিপতি, সেই বিৰাটপুৰুষৰ আদৰ্শ উদধাৰ কৰি নিষ্কাম ভাৱে তাৰ উপাসনা কৰি কেনেকৈ সকলো কামনাৰ নিবৃত্তি সাধন কৰি মুকুতি-পথত আগুৱাব পাৰি, তাৰ সন্ধান অসমীয়া সমাজক মহাপুৰুষে দান কৰে । সেই বাটৰ পৰা কৰ্মৰ বিভীষিকা আৰু সামাজিক শ্ৰেণী ভেদৰ ব্যৱধানৰ কুঁৱলী আতৰাই সকলোকে ভয় নোহোৱাকৈ খোজ কাঢ়িবৰ জন্মগত অধিকাৰ মহাপুৰুষে দান কৰে । অসমীয়াৰ আধ্যাত্মিক জীৱনৰ উৎকৰ্ষৰ বিষয়ত এয়েই তেওঁৰ চতুৰঙ্গ দান ।[৫]

'প্ৰতিমা'ৰ খনিকৰ চন্দ্ৰ কুমাৰ আগৰৱালাই মহাপুৰুষ শংকৰদেৱক এইদৰে অভিহিত কৰে -- "সাহিত্যৰ গুৰু শংকৰ,সাহিত্যৰাজ্যৰ ৰজা শংকৰ, সমাজ গঢ়োতা শংকৰ, সমাজৰ নেতা শংকৰ ।"

শংকৰদেৱৰ ধৰ্মৰ মূল ভেটি হ'ল ভাগৱত পুৰাণ । ভাগৱত-পুৰাণ অদ্বৈতবেদান্তৰদ্বাৰা প্ৰভাৱিত । এই অদ্বৈত বেদান্ত ভাৰতবৰ্ষৰ পাঁচ হেজাৰ বছৰীয়া সভ্যতাৰ আলোকস্তম্ভ উপনিষদৰ অঙ্গ । ভাৰতৰ প্ৰাক্তন ও প্ৰয়াত ৰাষ্ট্ৰপতি ড' সৰ্বপল্লী ৰাধাকৃষ্ণণৰ ভাৰতীয় দৰ্শন গ্ৰন্থত উল্লিখিত ভাষাৰেই কব পাৰি --- "So far as the classical Upanisads are concerned, it must be said that Sankara's view is representative of their main tendency."[৬]

---

৫ মহেশ্বৰ নেওগ : বাণীকান্ত চয়নিকা, শংকৰদেৱৰ আধ্যাত্মিক দান, প্ৰবন্ধ,দ্বিতীয় মুদ্ৰণ,১৯৮৯,পৃ: ১১০

৬ সৰ্বপল্লী ৰাধাকৃষ্ণণ : ইণ্ডিয়ান ফিল'চফী, পৃ: ৪৬৭ , ২য় খণ্ড

মহাপুৰুষৰ দ্বাৰা প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ভক্তি মাৰ্গৰ প্ৰধান লক্ষণসমূহ ড' সত্যেন্দ্ৰ নাথ শৰ্মাই চমুকৈ এনে ধৰণে বৰ্ণাইছে ।[৭]

১) এই ধৰ্ম কৃষ্ণ ভক্তি প্ৰধান । ভাগৱত পুৰাণ আৰু গীতা এই মাৰ্গত প্ৰধান আৰু আদৰ্শ গ্ৰন্থ ।

২) শ্ৰৱণ আৰু কীৰ্তনৰ যোগে ভগৱানৰ উপাসনা ।

৩) নানা দেৱ-দেৱীৰ ঠাইত অব্যভিচাৰী ভক্তিৰ দ্বাৰা বিষ্ণুত আশ্ৰয় ।

৪) যাগ-যজ্ঞ, তপস্যা-ব্ৰত আদি কষ্ট সাপেক্ষ, ক্ৰিয়া বহুল সাধন বা - উপসনাৰ অনুপযোগিতা দৰ্শন ।

৫) গুৰু আৰু সৎসঙ্গৰ শ্ৰেয়স্কৰ প্ৰভাৱ ।

৬) অহিংসা, প্ৰেম, দয়া আদি সৎ প্ৰবৃত্তিৰ কৰ্ষণৰ ওপৰত গুৰুত্ব ।

৭) ভক্তিৰ ক্ষেত্ৰত ব্ৰাহ্মণ-চণ্ডাল সকলোৰে সম অধিকাৰ ।

শংকৰ মহাপুৰুষে এই নীতি, লক্ষণ আৰু আদৰ্শ সমূহৰ সহজে জনসাধাৰণক বুজাই দিবলৈ অন্যহাতেদি এইবিলাক স্মৰণ কৰি ৰাখিবৰ সুবিধাৰ্থে মহাপুৰুষে নিজেই তথা বৈষ্ণৱ সন্তসকলে, কাব্য, নাট আৰু গীত ৰচনা কৰিথৈ গৈছে ।

---

৭ সত্যেন্দ্ৰ নাথ শৰ্মা : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ: ৯৯

0. 0২. 0২ নামঘৰ আৰু সত্ৰ সমূহৰ ভূমিকা :

অসমীয়া গ্ৰাম্য জীৱনৰ সাংস্কৃতিক ৰুচিবোধৰ পৰিপুষ্ট সাধনত নামঘৰ, সত্ৰ আদিৰ যি অভিনৱ পৰিকল্পনা কৰি শংকৰদেৱে তাক কাৰ্যত পৰিণত কৰিছিল সি বৈশিষ্ট্যপূৰ্ণই নহয় ই বৈচিত্ৰপূৰ্ণও । এই নামঘৰ সত্ৰই যি দৰে জাতীয় ঐক্য সাধন কৰিছে সেইদৰে ই জনসাধাৰণৰ কলাসুলভ জীৱন চেতনাৰ সম্প্ৰসাৰ কৰি জাতীয় জীৱনত সঞ্জীৱনী সুধা বোৱাই দিছে । নামঘৰ আৰু সত্ৰ স্থাপন কৰি শংকৰদেৱে যিদৰে নৃত্য, গীত, নাট আদি পৰিবেশন কৰাৰ সুবিধা দিলে তাৰ উপৰিও গায়ন বায়ন, ঢুলীয়া-খুলীয়া, নটুৱা সূত্ৰধাৰৰ সৃষ্টি কৰি, ভাৱৰীয়াৰ বাবে যাৱতীয় মুখা আদি সৃষ্টি কৰি চাৰু কলাৰ উন্নতি সাধন কৰিলে সেইবোৰে এক সুস্থিৰ প্ৰগতিশীল সামাজিক জীৱনৰ স্বাক্ষৰ বহন কৰে । সত্ৰৰ ভূমিকা সম্বন্ধে ড' সত্যেন্দ্ৰনাথ শৰ্মাই এনেদৰে অভিমত প্ৰকাশ কৰিছে ---

> : অসমৰ ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনত বৈষ্ণৱ সত্ৰ সমূহে চাৰিশ বছৰৰো অধিক কাল বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে । ধৰ্ম আৰু সংস্কৃতিৰ ক্ষেত্ৰ চেৰাই সময় বিশেষে কোনো কোনো সত্ৰই ৰাজনৈতিক বুৰঞ্জীতো প্ৰভাৱ পেলোৱা দেখা যায় । বৰ্তমান সময়ত আধুনিকতাৰ প্ৰভাৱত জনসাধাৰণৰ সত্ৰৰ প্ৰতি আগৰ আনুগত্য আৰু নিষ্ঠা নাই যদিও সত্ৰ সমূহ অচল হৈ যোৱা নাই । প্ৰাচীন, ঐতিহ্যসম্পন্ন সত্ৰসমূহে এতিয়াও জন-সাধাৰণৰ শ্ৰদ্ধা আৰু ভক্তি আকৰ্ষণ কৰি আছে ।[৮]

---

৮ জগন্নাথ পাটগিৰি (সম্পা.): সত্ৰ আৰু মঠ মন্দিৰৰ ইতিবৃত্ত, ত সত্যেন্দ্ৰ নাথ শৰ্মাৰ প্ৰবন্ধ " সত্ৰৰ উৎপত্তি আৰু অৱদান," প্ৰ:প্ৰ:, ১৯৯১, পৃ: ১৬

## ৩.০২.০৩ সত্ৰাধিকাৰ নিৰ্বাচন : সত্ৰৰ পৰিচালনা :

সত্ৰ পৰিচালনাৰ বাবে উপযুক্ত এগৰাকী লোকক অধিকাৰ বা সত্ৰাধিকাৰ পাতি দিয়া হৈছিল। পিছৰ যুগত সত্ৰসমূহত পৰিচালনকজন উত্তৰাধিকাৰী সূত্ৰে হোৱাৰ নিয়মত পৰিণত হ'ল যদিও মহাপুৰুষ দুজনাৰ দিনত তেনে কোনো ধৰা বন্ধা নিয়ম নাছিল। উত্তৰাধিকাৰী সূত্ৰে অধিকাৰ হোৱাৰ ক্ষেত্ৰত সাধাৰণতে দুটি নিয়ম মানি চলা হয়। সেই দুটি হ'ল - পুত্ৰানুক্ৰমে আৰু জ্যেষ্ঠানুক্ৰমে। উদাসীন প্ৰথা অৱলম্বন কৰা সত্ৰসমূহত একোজন লোকক অন্য সত্ৰৰ পৰা সৰু অৱস্থাতে আনি, তুলি তালি শিকাই বুজাই লোৱা হয়। অসমৰ সত্ৰ সমূহৰ ভিতৰত কেৱল মাত্ৰ বৰপেটা সত্ৰতেইহে গণতান্ত্ৰিক ভাৱে বৰ্তমান সত্ৰাধিকাৰ নিৰ্বাচন হয়।

সত্ৰৰ বিবিধ ধৰ্মীয় অনুষ্ঠান আৰু তাৰ সুপৰিচালনাৰ বাবে এই সত্ৰাধিকাৰ বা অধিকাৰ গৰাকীয়েই মূল মানুহ আৰু তেওঁৰ পৰিচালনাতেই সকলোবোৰ কাম কাজ পৰিচালিত হয়। একালত গোটেই অসমৰ লোকৰ বাবে এই অনুষ্ঠানসমূহ আধ্যাত্মিক, নৈতিক শিক্ষাৰ লগতে বিবিধ বৈষয়িক শিক্ষাৰো কেন্দ্ৰ হৈ পৰিছিল। কেৱল ধৰ্ম অথবা সঙ্গীত আদি সুকুমাৰ কলাৰ শিক্ষা, চৰ্চা আৰু অনুশীলন অভ্যাসৰ ক্ষেত্ৰই হৈ থকা নাছিল সত্ৰসমূহে মানুহক ৰুচিশীল ভাৱে স্বাৱলম্বী হোৱাৰ উপায়ো প্ৰদান কৰি গৈছে। বৰ্তমান হয়তো তাত ধূলি মাকতি লাগি সেই শিক্ষা সমূহৰ উজ্জ্বলতা বা আকৰ্ষণীয়তা কিছু কমিব পাৰে কিন্তু জাতীয় অৱস্থিতিৰ অৰ্থে ই তাৰ পুণৰ্মূল্যায়ণৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰে।

সত্ৰত এজন সাধাৰণ লোকক শৰণ-ভজন দি, বিভিন্ন আচাৰ আৰু ৰাজনীতি মানি চলিবলৈ দিয়া হয় । মানুহৰ দেহ মনৰ উৎকৰ্ষ সাধনত কিন্তু তেনেবোৰ আচাৰ-ৰাজনীতি আচৰণৰ বিশেষ প্ৰয়োজনীয়তা আছে । এই বিলাকৰ উদ্দেশ্য আছিল পৰিস্কাৰ-পৰিচ্ছন্নতা ।বাহিৰটো পৰিত্ৰ নহলে মানুহৰ ভিতৰখন সততাই পবিত্ৰ হব নোৱাৰে । সেয়ে নিত্য নৈমিত্তিক নিয়ম অনুসাৰে দেহৰ বাহ্যিক সকলো অংগ পৰিস্কাৰ ৰাখি হৃদয়ত ভগৱানৰ নামগুণেৰে হৃদয়, মন পৰিস্কাৰ ৰাখিলেহে তেওঁ প্ৰকৃত মানুহ হিচাপে গণ্য হয় ।

ড' কেশৱানন্দ গোস্বামীয়ে এই ক্ষেত্ৰত এনেদৰে মন্তব্য পোষণ কৰিছে ----

> : শৰণলোৱা দিনৰ পৰা মানুহজনে লোভ, মোহ, কাম, ক্ৰোধ, মদ, মাৎসৰ্য, দম্ভ-দ্বেষ্য আদি ভাৱ ; আৰু মিছা বেশ্যা-চোৰ, হিংসা-ত্যাগ কৰিবলৈ উপদেশ দিয়া হয় । চৰিত্ৰ গঠনৰ আৰু সু ব্যৱহাৰ শিক্ষাৰ কাৰণে এনে কিছুমান নীতি নিয়ম বান্ধি দিয়া হৈছে যে সেইবোৰ ভংগ কৰিলে 'লঘোন ভোক' দিব লগীয়া আৰু পায়শ্চিত্ত হ'ব লগীয়া হৈ পৰে । তেনেদৰে খাদ্যা-খাদ্যৰ বিষয়তো কঠোৰ নিয়ম বান্ধি, কেৱল সাত্ত্বিক আহাৰহে কৰিবলৈ দিয়া হয় যাতে আহাৰৰ ক্ৰিয়াই শৰীৰ আৰু মনকো সত্ত্বগুণ সম্পন্ন কৰি তুলিব পাৰে ।[১]

-------------------------------

১ কেশৱানন্দ দেৱগোস্বামী : সত্ৰ সংস্কৃতিৰ ৰূপৰেখা, পৃ: ১০২ , ২য়সং ১৯৮৮

এই সত্ৰ সমূহত বিদ্যা শিক্ষা অৰ্থাৎ ফলি দিয়া, গীত-মাত, নাচ-বাগ, ভাওনা, কণ্ঠ সংগীতৰ ৰাগ পদ্ধতি, ভোৰ তাল, পাতিতাল, খুটিতাল বজোৱা ৰীতি, খোল নেগেৰা বজোৱা, ভাওনাৰ ঘোষা শিকোৱা, অৰ্থাৎ জোৰণি, চাহিনী (উঠা বা থিয় আৰু বহা) ধুমুহি, চোক, মাত বা ঘেতা, মান, চেলা, চলনা, খান্দী, ধেমালি সঁচাৰ (হাতৰি, ৰাগ) আদি বজোৱা হয় আৰু সেই অংশবোৰ শিকোৱা হয়। মাটি আখৰাৰ আৰম্ভণিতে কাছবান্ধ দিয়াৰ বিবিধ ব্যায়াম কৰোৱাই গা আদি অনায়াসে ভাঙিব পৰা, ওৰা আৰু ছতা আদিৰ পৰা আৰম্ভ কৰি বিবিধ আহিলা তৈয়াৰ, নামঘৰৰ খুটা, চ'টিত ফুল লতা আদি কটা, দুৱাৰৰ কাঠত ফুল জালিৰ কাম, খৰাহী পাচি, চটিত ওলোমাই দিয়া বৰ বিচনী, বেটৰ ফুলাম বিচনী, হাতী দাঁতৰ বিচনী, বৰজাপি আৰু কাঠ আদি তৈয়াৰ কৰা, ঢোৰ সিংহ, অগ্নিগড়ৰ মগৰ আদি কটা কাম ভাওনাৰ বাবে আচৰ বাজীৰ কাম ইত্যাদি ইত্যাদি শিকোৱা হৈছিল।

প্ৰত্যেক সত্ৰতেই ধৰ্মপুথিৰ উপৰিও ব্যৱহাৰিক বিষয়ৰ বিবিধ পুথি সংৰক্ষণ পদ্ধতি, পুথি নকল কৰা বা প্ৰতিলিপি কৰোঁতে আখৰৰ গঢ় আৰু বানান আদিৰ প্ৰতি সজাগতা ৰক্ষা কৰিবলৈ শিকোৱা হৈছিল। অসমৰ প্ৰায়বোৰ সত্ৰতে সংস্কৃতৰ জ্ঞান নহলেও 'প্ৰয়োগ ৰত্নমালা ব্যাকৰণ' ব্যৱহাৰৰ বাবে ৰখা হৈছিল অন্যহাতেদি সত্ৰৰ পুথিভঁৰাল বোৰত কীৰ্ত্তন, নামঘোষা, ভাগৱত, গুণমালা, চৰিত, বংশাৱলী আৰু নাটবোৰ সংৰক্ষিত

হোৱাই নহয় সময় সাপেক্ষে সেইবিলাকৰ পদৰ অৰ্থ ব্যাখ্যা কৰাটোও সত্ৰীয়া শিক্ষা পদ্ধতিও অন্য এক অৱদান ।

৩. ০২. ০৪ মিত্ৰদেৱৰ ওপৰত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ :

মিত্ৰদেৱ মহন্ত এক বৈষ্ণৱ সাংস্কৃতিক পৰিৱেশত ডাঙৰ দীঘল হৈছিল । ককাক স্বৰ্গীয় হৰিচন্দ্ৰ অধিকাৰ এগৰাকী নিপুণ সত্ৰীয়া কলাকাৰ আছিল । মনোবিজ্ঞান নপঢ়িও সকলো প্ৰকাৰে নিয়মীয়া সহজ সৰল আৰু শিশু শিক্ষাৰ ক্ষেত্ৰত তেওঁ অতিশয় নিপুণ লোক । তেৱেঁই মিত্ৰদেৱ মহন্তৰ শিশুকাল সাংস্কৃতিক পৰিৱেশেৰে ঢুলি উজ্জ্বল ভৱিষ্যত জীৱনৰ গঢ় দিছিল । চাৰিবছৰ বয়সতে মিত্ৰদেৱ মহন্তক বৰ্ণমালা শিকাইছিল, ৰত্নমালা ব্যাকৰণ আৰু অমৰ কোষৰ শ্লোকবিলাক ফুটাই ফুটাই মাতিবলৈ অভ্যাস কৰাইছিল । খাঁওতে শোঁওতে অনবৰত মিত্ৰদেৱক লগত ৰাখিছিল । পঢ়া-শুনাৰ বাহিৰেও এইজনা পৰম বৈষ্ণৱে মিত্ৰদেৱক এটি সৰু খোলত হাত বুলাবলৈ শিকাইছিল । 'জুইৰশালৰ গঢ়িলেহে কমাৰশালত গঢ়িব পাৰি' এই আপ্ত বাক্যকে মিত্ৰদেৱেও পৰম শ্ৰদ্ধাৰে গ্ৰহণ কৰি তেওঁ খোল বজাবলৈ শিকিছিল । ককাকে বাঁহৰ চকুৱাত মূৰ্ত্তি কাটিবলৈ, বাঁহৰ কাঠীৰ মুখাত গোবৰ মাটি লিপি তাক আদি দি বিভিন্ন ধৰণৰ মুখা তৈয়াৰ কৰিবলৈ, পানীত সাঁতুৰিবলৈ, শৌচাদিৰ পিছত মাটি পানী লোৱাৰ পৰা গা-পা ধোৱালৈকে নিয়ম নীতি পালিবলৈ বাধ্য কৰাইছিল । ককাকৰ নিত্য কৰ্ম প্ৰসঙ্গৰ সময়তো শিশু মিত্ৰদেৱ আছিল তেওঁৰ নিত্যসঙ্গী ।

ককাক হৰিচন্দ্ৰ অধিকাৰে এইদৰেই মিত্ৰদেৱ মহন্তৰ এক বৈষ্ণৱ সাংস্কৃতিক পৰিবেশৰ মাজেৰে ডাঙৰ দীঘল কৰি সাংস্কৃতিক জীৱনৰ গঢ় লোৱাত যি অৰিহণা যোগাইছিল তাৰ ফলশ্ৰুতি হিচাপে তথা মিত্ৰদেৱে সৰুৰে পৰাই একাগ্ৰচিত্তে এইবোৰত লাগি থকাৰ বাবে তেওঁ গীতা, ভাগৱত, কীৰ্ত্তন, ঘোষা, বেদ উপনিষদ আদি শাস্ত্ৰতো বৰ পাৰ্গত হৈ উঠিছিল । বৰগীত, ভটিমা আদি মুখস্থ থকাৰ উপৰিও গীতা, ভাগৱত আদিৰ শ্লোকো মুখস্থ ৰাখিছিল । মিত্ৰদেৱে সুন্দৰ ভাৱে প্ৰসঙ্গৰ নাম দিব জানিছিল । খোল-তাল-বাদ্য আদিতো পাকৈত শিল্পী আছিল । বৈষ্ণৱ ৰীতিমতে নাম প্ৰসঙ্গ কৰোঁতে যুগ্ম বস্ত্ৰ চুৰিয়া আৰু চাদৰ ব্যৱহাৰৰ নিয়ম মিত্ৰদেৱে নিয়াৰিকৈ পালন কৰিছিল ।

অংকীয়া নাট ব্ৰজাৱলী ভাষাত লিখাৰ পৰম্পৰা চলি আহিছিল । এই ক্ষেত্ৰত মিত্ৰদেৱৰ ককাক হৰিচন্দ্ৰ অধিকাৰ আৰু দেউতাক নিৰঞ্জনদেৱেও তাৰ কৃতিত্ব দেখুৱাব পাৰিছিল । সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাৰ এই মন্তব্য এই ক্ষেত্ৰত প্ৰণিধানযোগ্য ।

> : সেইকালৰ সত্ৰীয়া ৰীতিমতে অংকীয়া অৰ্থাৎ ব্ৰজাৱলী নাট লিখাৰ অভ্যাসো অধিকাৰদেৱৰ আছিল । তেওঁৰ ৰচনাৰ ভিতৰত _কুৰ্ম্মৱলী বধ_ আৰু _ভীষ্মৰ শৰশয্যা_ এই দুখনি নাটকৰ নাম ল'ব পাৰি । দুইতে দেউতাকতকৈয়ো ককা-দেউতাকেহে মিত্ৰদেৱৰ শৈশৱ জীৱনৰ প্ৰধান মিত্ৰ আৰু আদৰ্শ শিক্ষক আছিল ।[১০]

---

১০ অতুল চন্দ্ৰ হাজৰিকা : _মন্বন্তৰলেখা_, পৃ: ১২২

ককাক হৰিচন্দ্ৰ অধিকাৰে যেনেকৈ কুৰ্ম্মৱলী বধ আৰু ভীষ্মৰ শৰশয্যা এই দুখনি অংকীয়া নাট লিখি কৃতি দেখুৱাইছিল সেইদৰে দেউতাক নিৰঞ্জন অধিকাৰ গোস্বামীয়েও বিৰাট পৰ্ব্ব লিখি কৃতিত্ব দেখুৱাইছিল ।

মিত্ৰদেৱ মহন্তই ককাক আৰু দেউতাকৰ পৰা উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা সাংস্কৃতিক আৰু শিল্পী জীৱনৰ সমলকে লৈ যোৰহাটৰ বালিগাঁও নাট্য মন্দিৰৰ সভ্য হৈ তাতেই থিয়েটাৰৰ প্ৰথম হাতে খলি লয় । বালিগাওঁ নাট্য মন্দিৰৰ পৰা পিছত ইন্দ্ৰেশ্বৰ বৰঠাকুৰে মিত্ৰদেৱক জোৰকৈয়ে যোৰহাট নাট্য মন্দিৰলৈ নিগাজীকৈ লৈ আহে । বৰঠাকুৰ আৰু মহন্ত এক হৰিহৰ আত্মা । মহন্তৰ শিল্পী জীৱনে ককাকৰ সত্ৰত শিশুকালতে অংকুৰ মেলি যোৰহাট থিয়েটাৰত বৰঠাকুৰৰ যোগেদি পৰিপূৰ্ণতা লাভ কৰে ।

==============